# ফটাশিমুল পৰিৱেশ উন্নয়ন সমিতি

## শিলবড়ি বন সংমণ্ডল

## ওৰাং ৰাষ্ট্ৰীয় উদ্যান

# ক্ষুদ্ৰ প্ৰকল্প আঁচনি

## (২০১৭-১৮ৰ পৰা ২০২৬-২৭)

প্ৰস্তুতকৰ্তা ঃ ফটাশিমুল পৰিৱেশ উন্নয়ন সমিতি

সহযোগী

বনাঞ্চল বিভাগ, অসম

আৰু

ক'ম্‌পেল'

(ক্ষুদ্ৰ প্ৰকল্প আঁচনি আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট)

(আই আই ই আৰু আৰ জি ভি এন )

মে'-২০১৭

Approved by
16/5/18
(R.K. Gosi)

Divisional Forest Officer
Mangaldai Wildlife Divn.
Darrang

## সাংকেতিক শব্দ বিন্যাস তালিকা ঃ—

| সাংকেতিক শব্দ | মূল ভাঙনি |
|---|---|
| APFBC<br>(এ পি এফ বি চি) | Assam Project on Forest and Bio-diversity Conservation<br>(বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্য সম্পৰ্কীয় প্ৰকল্প, অসম) |
| AFD<br>(এ এফ ডি) | Agency France de Development<br>(উন্নয়ন বিষয়ক ফৰাচী সংস্থা) |
| BPL<br>(বি পি এল) | Bellow Poverty Line<br>(দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ) |
| BTC<br>(বি টি চি) | Bodoland Territorial Council<br>(বড়োলেণ্ড ক্ষেত্ৰীয় এলেকা পৰিষদ) |
| COMPELO<br>(ক'মপেল') | Consortium for Micro Planning and Enhancing Livelihood Opportunities<br>(ক্ষুদ্ৰ প্ৰকল্প আঁচনি আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট) |
| EPA<br>(ই পি এ) | Entry Point Activities<br>(প্ৰাৰম্ভিক কাৰ্যব্যৱস্থাপনা) |
| GIS<br>(জি আই এছ) | Geographical Information System<br>(ভৌগোলিক তথ্য ব্যৱস্থাপনা) |
| Ha<br>(হে) | Hectare<br>(হেক্টৰ (মাটিকালি)) |
| IIE<br>আই আই ই | Indian Institute of Entrepreneurship<br>(ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান) |
| EDC<br>(ই ডি চি) | Eco-Development Committee<br>(পৰিৱেশ উন্নয়ন কমিটী) |
| Kg<br>(কে জি) | Kilogram<br>(কিলোগ্ৰাম) |
| Km<br>(কে এম) | Kilometer<br>(কিলোমিটাৰ) |
| Orang NP<br>(কে এম) | Orang National Park<br>(ওৰাং ৰাষ্ট্ৰীয় উদ্যান) |
| NGO<br>(এন জি অ') | Non-Governmental Organization<br>(অনা-চৰকাৰী সংস্থা) |
| NTFP<br>(এন টি এফ পি) | Non Timber Forest Product<br>(গছবিহীন বনজ উৎপাদিত সামগ্ৰী) |
| PDS<br>(পি ডি এছ) | Public Distrubution System<br>(ৰাজহুৱা বিতৰণ ব্যৱস্থা) |
| PRA<br>(পি আৰ এ) | Participatory Rural Appraisal<br>(গ্ৰামীণ অংশগ্ৰহণকাৰীৰে যোগাযোগ) |
| Rs.<br>(আৰ এছ) | Indian Rupee<br>(ভাৰতীয় মুদ্ৰা) |
| SHG<br>(এছ এইচ জি) | Self Help Group<br>(আত্মসহায়ক গোট) |
| VCDC<br>(ভি চি ডি চি) | Village Council Development Committee<br>(গ্ৰাম পৰিষদ উন্নয়ন সমিতি) |

# ফটাশিমুল পৰিৱেশ উন্নয়ন সমিতি

## জীৱিকা বিকাশ পৰিকল্পনা

## সূচীপত্র


| | | |
|---|---|---|
| (১) | পাতনি ঃ ..................................................... | ৪ |
| (২) | গ্রামীণ আৰ্থ-সামাজিক আকৃতি......................... | ৫ |
| (৩) | জীৱিকাৰ বিকাশ পৰিকল্পনা.............................. | ৯ |
| (৪) | জীৱিকাৰ সুযোগ বিশ্লেষণ............................ | ১১ |
| | অতিৰিক্ত সূচী ............................................ | ১৪-৩৭ |

## (১) পাতনি

**পৰিকল্পনাৰ বিষয়** ঃ বন আৰু জৈৱিক সংৰক্ষণৰ অসম পৰিকল্পনাৰ মুখ্য লক্ষ্য হ'ল কিছু লক্ষ্যস্থানত বন বিভাগৰ সহযোগিতা আৰু বিভিন্ন ধৰণৰ বহুমুখী পৰিকল্পনাৰ জৰিয়তে গ্ৰহণযোগ্য বনজ আৰু জৈৱিক সংৰক্ষণ আৰু নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা আৰু এনেধৰণৰ ব্যৱস্থাক মজবুত কৰি বনজ আৰু অনা-বনজ জাতীয় বস্তুৰ গ্ৰহণযোগ্য ব্যৱহাৰৰ জৰিয়তে জীৱন ধাৰণৰ সুষম ব্যৱস্থা কৰা। এই আঁচনিৰ লক্ষ্যসমূহ এনেধৰণে বৰ্ণনা কৰা হৈছে। বন বিভাগৰ বিভিন্ন গোটৰ সহযোগিতাত এই গোটসমূহৰ জীৱিকা নিৰ্বাহৰ প্ৰথাসমূহ মজবুত কৰি সংৰক্ষণ আৰু জৈৱিক বৈষম্যৰ গ্ৰহণযোগ্য ব্যৱস্থা কৰা।

ফ্ৰান্স উন্নয়নকামী এজেন্সী, এজেন্সী ফ্ৰান্স ডি ডেভেলপমেণ্ট (এ এফ ডি)ৰ জৰিয়তে এই আঁচনিত বিশেষকৈ ধনৰ সাহায্য আগবঢ়োৱা হৈছে। ইয়াত সহকাৰী ধন যোগাৰ কৰোঁতা হিচাপে আছে অসম চৰকাৰ। বনজ আৰু জৈৱিক পদাৰ্থৰ সংৰক্ষণৰ অসম আঁচনি এই পৰিকল্পনাৰ বাবে নীতি গ্ৰহণ কৰা, চোৰাচিতা কৰা ইত্যাদি বিভিন্ন ব্যৱস্থাৰ বাবে দায়বদ্ধ।

**ক্ষুদ্ৰ আঁচনি আৰু জীৱন ধাৰণ উন্নীতকৰণ** ঃ বজাৰৰ সমৰ্থ অনুযায়ী মূল্যাংকন বৃদ্ধি, বৰ্তমানৰ আঁচনিয়ে উদ্যোগীকৰণৰ ওপৰত বিশেষ গুৰুত্ব দিয়া, মাৰ্কেটিঙৰ ওপৰত গুৰুত্ব দিয়া ইত্যাদিৰ জৰিয়তে জীৱন ধাৰণৰ কাৰ্যকলাপৰ বিষয়ে উন্নয়ন সাধন কৰা। বৰ্তমানৰ জনসংখ্যাৰ ক্ৰমবৰ্ধমান গতিৰ বাবে বৰ্তমানৰ বনজ সম্পদৰ ওপৰত পৰা বিৰাট হেঁচা বা চাপৰ বাবে এনেধৰণৰ ব্যৱস্থাৰ প্ৰয়োজন হৈছে। বজাৰৰ ক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰি বৰ্তমানৰ বনজ আৰু জৈৱিক বস্তুৰ ওপৰত লাহে লাহে ইয়াৰ মূল্যাংকন সংযোজনৰ সময় আহি পৰিছে। ইয়াৰ উপৰি বনজ সম্পদৰ বাহিৰে অন্যান্য সম্পদৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে সমাজৰ অন্যান্য সদস্যসমূহৰ নৈপুণ্য বৃদ্ধিৰ কৌশলসমূহৰ জৰিয়তে অন্যান্য ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰা উচিত।

ভাৰতীয় উদ্যোগীকৰণ প্ৰতিষ্ঠান, গুৱাহাটী, ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধিৰ সহযোগত জীৱিকা বিকাশৰ বাবে এই ক্ষুদ্ৰ পৰিকল্পনা হাতত লোৱা হৈছে, যাতে ক্ষুদ্ৰ আঁচনি আৰু জীৱন ধাৰণৰ উন্নয়ন এই ব্যৱস্থাৰ দ্বাৰা সম্ভৱ। এই উমৈহতীয়া অনুষ্ঠানটিক ক্ষুদ্ৰ আঁচনি আৰু জীৱন ধাৰণৰ সুবিধাসমূহৰ যুটীয়া ৰাজশক্তি (কম্‌পেল') নামেৰে নামকৰণ কৰা হৈছে।

এই আঁচনিৰ নীতি-নিয়ম অনুযায়ী এই ক্ষুদ্ৰ পৰিকল্পনাৰ অন্তৰ্ভুক্ত অন্যান্য ব্যৱস্থাসমূহৰ ভিতৰত— 'গ্ৰামীণ আৰু বনজ উন্নীতকৰণৰ অন্যান্য ব্যৱস্থাসমূহ— বনাঞ্চল নিৰ্ভৰশীল সদস্যসকলৰ জীৱন ধাৰণৰ ব্যৱস্থাত সহায় কৰা, বন পৰিচালনাত যথেষ্টসংখ্যক বিষয়া/কৰ্মচাৰীৰ সহায় লোৱা ইত্যাদি।' ইয়াত বন বিভাগ আৰু জীৱন ধাৰণৰ উন্নয়নকৰণৰ বিভিন্ন ব্যৱস্থা জড়িত হৈ আছে।

**ফটাশিমুল ই ডি চিৰ বাবে ক্ষুদ্ৰ প্ৰকল্প** ঃ এই পৰিকল্পনাত ফটাশিমুল পৰিৱেশ উন্নয়ন সমিতি (ই ডি চি)ৰ বাবে ক্ষুদ্ৰ প্ৰকল্পৰ তথ্য দাঙি ধৰা হৈছে। এই সমিতিখন অসমৰ শোণিতপুৰ জিলাৰ মঙলদৈ বন সংমণ্ডলৰ অধীনস্থ ঢেকীয়াজুলি ৰাজহ চক্ৰৰ অন্তৰ্গতত অৱস্থিত। পৰৱৰ্তী শিতানত এই কমিটীৰ বিষয়ে আলোচনা কৰা হৈছে।

এই ক্ষুদ্ৰ পৰিকল্পনা প্ৰস্তুত কৰিছে অঞ্চলটোৰ স্থানীয় পুৰুষ-মহিলাসকলে। ২৬ এপ্ৰিল ২০১৭ত ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (আই আই ই), গুৱাহাটীৰ বিষয়ববীয়া আৰু গাঁৱৰ সদস্যসকলৰ দ্বাৰা আয়োজিত পি আৰ এ অনুশীলনৰ ফলত এই তথ্য প্ৰস্তুত কৰা হয়। প্ৰকল্পৰ নীতি-নিৰ্দেশনা অনুসৰি আই আই ইয়ে এই ক্ষুদ্ৰ প্ৰকল্প আঁচনি প্ৰস্তুত কৰে আৰু সকলো আলোচনাৰ অন্তত এপ্ৰিল ২০১৭ত ইয়াক গৃহীত কৰা হয়।

## (২) গ্ৰামীণ আৰ্থ-সামাজিক আকৃতি

**স্থান** ঃ ফটাশিমুল সংৰক্ষিত বনাঞ্চল সংলগ্ন ফটাশিমুলৰ আৱাসী এলেকাৰ জনসাধাৰণক লৈ পৰিৱেশ উন্নয়ন সমিতি (ই ডি চি) গঠন কৰা হৈছে। অসমৰ শোণিতপুৰ জিলাৰ কছাৰীচন গাঁও পঞ্চায়তৰ অধীনস্থ এলেকাক এই ই ডি চিয়ে সামৰি লৈছে।

**অতিৰিক্ত সূচী (১)ত ইয়াৰ তথ্য গাঁৱৰ মানচিত্ৰসহ দেখুওৱা হৈছে।**

**প্ৰধান তথ্যসমূহ** ঃ **ই ডি চিৰ প্ৰধান তথ্যসমূহ তলত উল্লেখ কৰা হ'ল—**

**তালিকা (ক) ই ডি চিৰ প্ৰধান তথ্যসমূহ—**

| | |
|---|---|
| **ই ডি চিৰ নাম** | ফটাশিমুল ব্লক |
| **বসতি এলেকা** | ফটাশিমুল ব্লক |
| **ৰাজহ গাঁৱৰ নাম** | ফটাশিমুল এন চি |
| **গাঁও পঞ্চায়ত/ভিচিডিচিৰ নাম** | কছাৰীচন |
| **ৰাজহ চক্ৰ** | ঢেকীয়াজুলি |
| **জিলা** | শোণিতপুৰ |
| **বন সংমণ্ডল** | মঙলদৈ বন্যপ্ৰাণী সংৰক্ষণ সংমণ্ডল |
| **বনাঞ্চল ক্ষেত্ৰীয় এলেকা** | শিলবড়ি |
| **বনাঞ্চলৰ বীট এলেকা** | বাঘবাৰী |
| **স্থাপিত** | ২০১৭ |
| **ই ডি চিৰ সীমা বৰ্ণনা** | জি পি এছ নিয়ন্ত্ৰিত<br>$92^{0}21'45''$E & $26^{0}35'0''$N<br>উত্তৰে ঃ ফটাশিমুল গাঁও<br>দক্ষিণে ঃ ওৰাং ৰাষ্ট্ৰীয় উদ্যান<br>পশ্চিমে ঃ ফটাশিমুল এন চি আৰু ওৰাং ৰাষ্ট্ৰীয় উদ্যান<br>পূবে ঃ নিচলামাৰী/কন্দাবস্তি গাঁও |

**উৎস** ঃ এপ্ৰিল, ২০১৭ত পি আৰ এ অনুশীলনত হোৱা আলোচনা আৰু ই ডি চিৰ সংগৃহীত তথ্যৰ আধাৰত। **(অতিৰিক্ত বিশদ তথ্য তালিকা-১ ৰেকৰ্ড-১ সূচী- ৬ত সন্নিবিষ্ট)**

**কাৰ্যনিৰ্বাহক কমিটী আৰু সাধাৰণ সভাৰ চমু বিৱৰণ** **নিম্নোক্ত নক্সাত ই ডি চিৰ কাৰ্যনিৰ্বাহক সভা আৰু সাধাৰণ সভাৰ চমু বিৱৰণ প্ৰকাশ কৰা হ'ল—**

**নক্সা খ— কাৰ্যনিৰ্বাহক আৰু সাধাৰণ সভাৰ চমু বিৱৰণ**

| | |
|---|---|
| **সভাপতিৰ নাম** | মঃ বাহাৰুল ইছলাম |
| **সম্পাদকৰ নাম** | মঃ আয়েজ আলী |
| **কোষাধ্যক্ষৰ নাম** | মঃ মুকতাৰ আলী |
| **পঞ্জীয়ন নম্বৰ** | — |
| **কাৰ্যবাহী কমিটীৰ সদস্যৰ সংখ্যা** | পুৰুষ- ৭, মহিলা- ২ |
| **সাধাৰণ সভাত সদস্যৰ সংখ্যা** | প্ৰতিঘৰ আৱাসীৰ এজনকৈ সদস্য (১০৪জন) |

**উৎস** ঃ ই ডি চিৰ ৰেকৰ্ড মতে।

**ঘৰে প্ৰতি জনসংখ্যাৰ গাঁথনি** ঃ ফটাশিমুল ই ডি চিত মুঠ ১০৪টা পৰিয়াল বাস কৰে। মুঠ আৰাসী লোকৰ সংখ্যা ৭০০ৰ ভিতৰত ৩৭০গৰাকী পুৰুষ আৰু বাকী ৩৩০গৰাকী মহিলা। অঞ্চলটোৰ আৰাসীসকল এম অ' বি চি শ্ৰেণীৰ আৰু আটাইসকল ইছলামধৰ্মী লোক।

তালিকা- ২, ৰেকৰ্ড- ১ (অনুসূচী-৬) ঃ সবিশেষ তথ্যৰ বাবে চাব পৰা যায়।

ওপৰোক্ত তথ্যৰ ভিত্তিত দেখা যায় যে—

(১) প্ৰতিটো পৰিয়ালৰ গড় সদস্য সংখ্যা- ৭।

(২) গাঁওখনত পুৰুষ-মহিলাৰ অনুপাত- প্ৰতি ১০০০ পুৰুষৰ বিপৰীতে ৮৯২ মহিলা।

**শিক্ষা আৰু নৈপুণ্যৰ বিকাশ** ঃ ই ডি চি এলেকাৰ প্ৰায় ৪০ শতাংশৰো অধিক জনসংখ্যা শিক্ষিত যদিও অধিকাংশ জনসংখ্যা ৬০ শতাংশ অশিক্ষিত। ই ডি চি এলেকাটোৰ অধিকাংশ লোকেই অশিক্ষিত। জীৱিকাৰ বাবে শৈক্ষিক নৈপুণ্য— আনুষ্ঠানিক বা অনানুষ্ঠানিক ধৰণে আহৰণ কৰিছে। ই ডি চি এলেকাত অনানুষ্ঠানিক মানে পৰম্পৰাগত পদ্ধতিৰে দক্ষতাৰ বিকাশ ঘটিছে। তলত উল্লেখ কৰা ধৰণে পৰম্পৰাগত দক্ষতা আহৰণ কৰে।

(ক) কৃষি, (খ) উদ্যান শস্য, (গ) মৰাপাটৰ খেতি

চৰকাৰে দেশত দক্ষতা বিকাশৰ বাবে উদগনিমূলক ব্যৱস্থা হাতত লৈছে। অৱশ্যে এই অঞ্চল বা চুবুৰীয়া অঞ্চলৰ লোকসকলে অনাময়ৰ সা-সুবিধা লাভ কৰিছে যদিও দক্ষতা বিকাশৰ কোনো আঁচনি অঞ্চলটোত চলোৱা হোৱা নাই।

**মাটি** ঃ অঞ্চলটোৰ মাটিকালিত দুই ধৰণৰ মাটি পোৱা যায়। বালি মাটিৰ পৰা বালি মিহলি আঠালটীয়া তথা তুলনামূলকভাৱে দ অঞ্চলত সম্পূৰ্ণ আঠালটীয়া মাটি পোৱা যায়। উত্তৰ অঞ্চলৰ মাটিভাগ আঠালটীয়া যদিও জিলাখনৰ বাকী অঞ্চলৰ মাটিকালি শিলগুটি মিহলি বালীয়া মাটি।

**পানী** ঃ প্ৰকল্প এলেকাটোৰ উত্তৰ-পূব সীমান্তৰে পাঁচন�ৈ নৈখন বৈ গৈছে আৰু ই দক্ষিণে ব্ৰহ্মপুত্ৰত মিলিত হৈছে। এই নৈখন বছৰজুৰি বৈ থাকে।

**জলবায়ু ঃ উত্তাপ আৰু বৰষুণৰ মাত্ৰা** ঃ মঙলদৈ বন্যপ্ৰাণী সংমণ্ডল এলেকাটোৰ বতৰ আৰু পৰিৱেশ বৰ্ষাকালৰ সৈতে নিৰ্ভৰশীল। অঞ্চলটো প্ৰধানতঃ মে'ৰ মাহৰ পৰা ছেপ্টেম্বৰ মাহলৈ বৰষুণ হয়। এলেকাটোত গড়ে বাৰ্ষিক বৰষুণৰ পৰিমাণ ৩০০০ মিঃ মিঃ। উষ্ণতাৰ তথ্যই দৰ্শোৱা অনুসৰি শীত কালত অক্টোবৰৰ পৰা মাৰ্চ মাহলৈ ইয়াৰ তাপমান পুৱাৰ ভাগত ৫°ৰ পৰা ১৫° চেণ্টিগ্ৰেডৰ পৰা আবেলি পৰলৈ ২০°ৰ পৰা ২৫° চেণ্টিগ্ৰেড পৰ্যন্ত হয়। পুনৰ এপ্ৰিল মাহত পুৱাৰ ভাগত ১২°ৰ পৰা ২৫° চেণ্টিগ্ৰেড আৰু দুপৰীয়ালৈ ই ২৫°ৰ পৰা ৩০° চেণ্টিগ্ৰেড পৰ্যন্ত হয়। গ্ৰীষ্মকালত মে' আৰু জুন মাহত পুৱাৰ ভাগত ২০°ৰ পৰা ২৮° চেণ্টিগ্ৰেড আৰু দুপৰীয়ালৈ ৩০°ৰ পৰা ৩২° চেণ্টিগ্ৰেড পৰ্যন্ত বৃদ্ধি পায়।

**বন আৰু জৈৱিক ভিন্নতা** ঃ ওৰাং ৰাষ্ট্ৰীয় উদ্যানত বিভিন্ন প্ৰজাতিৰ বনজ সম্পদৰ ভিতৰত চিদা, এজাৰ, খকন, গমাৰি, তিতাচপা আদি অন্যতম। ই ডি চি এলেকাটোৰ গাঁওসমূহত পৰিত্যক্ত মাটিত মৰাপাটৰ খেতি কৰে। অন্যান্য প্ৰজাতিৰ বনজ সম্পদৰ ভিতৰত যেনে- কঁঠাল, বাঁহ আদিৰ উৎপাদন হয় যদিও ই তেনেই সীমিত।

**মাটি ব্যৱহাৰৰ পদ্ধতি** ঃ অনুসূচী- ২ত এই বিষয়ে বিশেষভাৱে দিয়া আছে।

(১) শস্য পথাৰ— ৭২.২৯%

(২) পথ— ১.১৮%

(৩) নিষ্পত্তি হোৱা মাটিকালি— ২৬.৫৩%

**মাটিৰ স্বত্বাধিকাৰ** ঃ **তালিকা ৩ৰেকৰ্ড ১ত মাটিৰ স্বত্বাধিকাৰ থকা অৱস্থাৰ বিষয়ে গম পোৱা যায়।**

- ২৩.০৮ শতাংশ পৰিয়াল ভূমিহীন।
- ১.৯২ শতাংশ পৰিয়াল মধ্যমীয়া খেতিয়ক (  ২ হেক্টৰ)।

- ৭৫.০ শতাংশ মাটিৰ গৰাকী ক্ষুদ্ৰ খেতিয়ক (২-১০ হেক্টৰ)।

**পশুধন** ঃ ই ডি চিৰ গাঁওখনত সৰ্বমুঠ পালিত পশুৰ সংখ্যা হ'ল—

| | | |
|---|---|---|
| গাইগৰু | ঃ | ৩০০ |
| ছাগলী | ঃ | ২০০ |
| হাঁহ-কুকুৰা পালন | ঃ | ১০০০ |

**তালিকা ৪ৰ ৰেকৰ্ড-১**ত বিভিন্ন সময়ত প্ৰয়োজন অনুযায়ী ওপৰোক্ত হিচাপৰ লগত সংযোগ কৰিব পাৰি।

**গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগৰ সুবিধা** ঃ যিকোনো সমাজত যোগাযোগৰ আন্তঃগাঁথনি ব্যৱস্থাই জীৱিকা বিকাশৰ বিকল্পত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। গাঁৱৰ বৰ্তমানৰ আন্তঃগাঁথনি সন্তোষজনক নহয়।

**নক্সা-৫** ৰেকৰ্ড- ১তএই বিষয়ে বিশদভাৱে প্ৰকাশ কৰা হ'ল।

ওপৰোক্ত নক্সাৰ পৰা গাঁৱৰ আন্তঃগাঁথনিৰ বিষয়ে নিম্নোক্ত কথাখিনি ক'ব পাৰি—

**মূল আন্তঃগাঁথনি ঃ** ই ডি চি এলেকাটোৰ আৱাসীসকলে মূল আন্তঃগাঁথনিগত বিষয়, যেনে— খোৱাপানী যোগান, ৰাজহুৱা বিতৰণ ব্যৱস্থা, যাতায়াত ব্যৱস্থা, ম'বাইল সেৱা আদিৰ পৰা বঞ্চিত।

**শিক্ষা আৰু স্বাস্থ্য সেৱাৰ সুবিধা ঃ** ফটাশিমুল ই চি ডি এলেকাত ১খন প্ৰাথমিক বিদ্যালয়, ১টা অংগনৱাড়ী কেন্দ্ৰ আছে আৰু এখন মাদ্ৰাছা আছে। কিন্তু অঞ্চলটোত শিক্ষা আৰু স্বাস্থ্য সেৱাৰ সুবিধা সন্তোষজনক নহয়। অঞ্চলটোৰ আৱাসীসকলে উচ্চ শিক্ষাৰ বাবে গাঁৱৰ বাহিৰলৈ যাব লগা হয়। আনহাতে স্বাস্থ্য সেৱা খণ্ডতো বিশেষ অসুবিধাৰ সন্মুখীন হোৱা দেখা যায়। কিয়নো অঞ্চলটোত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ অথবা পশু স্বাস্থ্য কেন্দ্ৰ নাই।

**চৰকাৰী কাৰ্যালয় ঃ** গাঁওখনৰ পৰা আৰক্ষী থানা, গাঁও পঞ্চায়তৰ কাৰ্যালয়, ৰাজহ বিভাগৰ কাৰ্যালয় আদি যথেষ্ট দূৰত অৱস্থিত।

**বিত্তীয় প্ৰতিষ্ঠান ঃ** বিত্তীয় প্ৰতিষ্ঠানৰ সুবিধা, যেনে— বেংক, ডাকঘৰ আদি গাঁওখনৰ পৰা যথেষ্ট দূৰত।

**কৃষিজাত শস্য** ঃ তালিকা-৬ ৰেকৰ্ড-১ গাঁৱত উৎপন্ন হোৱা কৃষিজাতীয় শস্যৰ বিশেষ বিৱৰণ দিয়া হৈছে।

নিম্নোক্ত শস্যসমূহ মুখ্য শস্য বুলি এই গাঁৱত জনাজাত।

খাৰিফ শস্য ঃ শালি, বৰোধান।

ৰবি শস্য ঃ আলু, বিলাহী, কবি, সৰিয়হ।

অন্যান্য ঃ তৰ্মুজ আৰু মৰাপাট।

বেছিভাগ শস্যই বৰষুণৰ ওপৰত নিৰ্ভৰশীল।

**শস্য উৎপাদনৰ বিৱৰণ** ঃ তালিকা-৭ ৰেকৰ্ড-১ত এই বিষয়ে বিশেষভাৱে দেখুওৱা হৈছে।

তলত উৎপাদন আৰু শস্যৰ গড় তলত দিয়া হ'ল—

- শস্য ঃ ১৯৬০ কুইণ্টল উৎপাদন, ৪২ কুইণ্টল প্ৰতি হেক্টৰ
- পাচলি ঃ ১০০ কুইণ্টল উৎপাদন, ৭.৫০ কুইণ্টল প্ৰতি হেক্টৰ
- সৰিয়হ ঃ ৩৫ কুইণ্টল উৎপাদন, ৫.২৫ কুইণ্টল প্ৰতি হেক্টৰ
- উদ্যান শস্য ঃ ২০ কুইণ্টল উৎপাদন, ৭.৫ কুইণ্টল প্ৰতি হেক্টৰ

• মৰাপাট ঃ ২০০ কুইণ্টল উৎপাদন, ৩০ কুইণ্টল প্ৰতি হেক্টৰ

**পশু খাদ্যৰ উৎস** ঃ **নক্সা-৮** ৰেকৰ্ড-১ত পশুৰ বাবে খাদ্যৰ বিষয়ে বৰ্ণনা কৰা হৈছে।

(ক) খেতিৰ বাকী ৰোৱা অংশ (৩ৰ পৰা ৬ মাহ)

(খ) বনাঞ্চলৰ ঘাঁহনি (> ৬ মাহ)

(গ) ঘাঁহ-বন (৩ৰ পৰা ৬ মাহ)

(ঘ) সেউজীয়া খাদ্য (> ৬ মাহ)

**বজাৰ** ঃ তালিকা- ৯ ৰেকৰ্ড- ১ৰ দ্বাৰা বিভিন্ন বজাৰৰ স্থিতি উল্লেখ কৰা হৈছে। ৰাইজে ব্যৱহাৰ কৰা মুখ্য বজাৰকেইখনমান হ'ল—

(ক) গেলামাল/ৰাজহুৱা বিতৰণ ব্যৱস্থা ঃ ৩ কিঃ মিঃ দূৰত্বৰ বৰচলা

(খ) সাপ্তাহিক/অৰ্ধসাপ্তাহিক বজাৰ ঃ ৩ কিঃ মিঃ দূৰত্বৰ বৰচলা

(গ) ডাঙৰ বা মুখ্য বজাৰ ঃ ৩ কিঃ মিঃ দূৰত্বৰ বৰচলা

**জলসম্পদ** ঃ **তালিকা ১০ৰ ৰেকৰ্ড ১ত জলজ সম্পদ পোৱা যায়। জলজ সম্পদ থকা উৎসসমূহ হ'ল—**

(ক) কুঁৱা ঃ (পানী সদায় থাকে)

(খ) নলীনাদ ঃ (পানী সদায় থাকে)

**শক্তিৰ ব্যৱহাৰ** ঃ **তালিকা- ১১ৰ ৰেকৰ্ড ১ত এই বিষয়ে বিশেষ উল্লেখ কৰা হৈছে। এই তালিকাত গাঁৱত ব্যৱহৃত শক্তিৰ মুখ্য উৎসৰ বিষয়ে আলোচনা কৰা হৈছে।**

**(ক)** খৰি ঃ নিৰ্ভৰশীল পৰিয়াল— ১০৪টা, উৎস ঃ ঘৰুৱা আৰু বনাঞ্চল এলেকা।

**আৰ্থ-সামাজিক মৰ্যাদা** ঃ **সামাজিক স্থিতি ঃ** গাঁওখনত ৭০০ জনসংখ্যা আছে। তেওঁলোকৰ ভিতৰত সাধাৰণ শ্ৰেণীৰ (৯৭টা পৰিয়াল) আৰু অতি পিছপৰা শ্ৰেণীৰ ৫টা পৰিয়াল আছে।

**আৰ্থিক অৱস্থা ঃ** আৰ্থিক স্থিতি এই গাঁৱত সন্তোষজনক নহয়। লোকসকলৰ মূল পেছা কৃষি, দৈনিক মজুৰি, উদ্যান শস্য উৎপাদন আৰু মৰাপাট খেতি আদি। গাঁওখনৰ প্ৰায়ভাগ পৰিয়ালে বছৰি ৬০,০০০ টকাৰ পৰা ১,৮০,০০০ টকা পৰ্যন্ত আয় কৰে।

**বন্যপ্ৰাণী সংৰক্ষিত এলেকাৰ প্ৰভাৱ** ঃ **যোগাত্মক প্ৰভাৱ ঃ**

• পৰ্যটনৰ পৰা অৰ্থনৈতিক লাভ

• মাটি আৰু পানীৰ সংৰক্ষণ

• পৰিৱেশৰ উন্নয়ন

ঃ **ঋণাত্মক প্ৰভাৱ ঃ**

• মানুহ আৰু বন্যপ্ৰাণীৰ মাজত সংঘাত

• বন্যপ্ৰাণীৰ দ্বাৰা সম্পত্তিৰ ক্ষতিসাধন

• পোহনীয়া জন্তু/খাদ্যশস্যৰ অৱশিষ্টৰ ওপৰত প্ৰভাৱ

**মানচিত্ৰ** ঃ **অনুসূচী-১, ২ আৰু ৩ত উল্লিখিত মানচিত্ৰত বিশদ আলোচনা কৰা হৈছে।**

(ক) অৱস্থানৰ মেপ

(খ) গাঁৱৰ মেপ

(গ) গাঁৱৰ সামাজিক মেপ

(ঘ) গাঁৱৰ সমূহীয়া সম্পদৰাজিৰ মেপ

(ঙ) ভেন চিত্ৰ

(চ) চপাটি চিত্ৰ

(ছ) জি আই এছৰ দ্বাৰা মাটিৰ ব্যৱহাৰৰ মেপ

## ৩ জীৱন ধাৰণ ব্যৱস্থাপনাৰ বিশ্লেষণ

**জীৱিকাৰ বিকাশ পৰিকল্পনা** ঃ নিম্নোক্ত চৰ্তসমূহৰ সহায় লৈ জীৱিকাৰ সুযোগ বিশ্লেষণৰ আৰ্হি প্ৰস্তুত কৰা হৈছে।

(ক) জীৱিকাৰ সম্পদ

(খ) জীৱিকাৰ ধৰণ

(গ) সম্ভাব্য জীৱিকাৰ ওপৰত অগ্ৰাধিকাৰৰ শ্ৰেণীবদ্ধকৰণ

ফটাশিমুল ই ডি চি এলেকাত পি আৰ এ অনুশীলনৰ সময়ত জীৱিকাৰ বাস্তৱ স্থিতি সম্পৰ্কে পৰ্যালোচনা চলোৱা হয়। এই পৰ্যালোচনা আন্তঃৰাষ্ট্ৰীয় বিকাশ সম্পৰ্কীয় বিত্তীয় বিভাগৰ (ডি এফ ডি আই) দীৰ্ঘম্যাদী জীৱিকাৰ আৰ্হিৰ ভিত্তিত চলোৱা হয়। ই ডি চি এলেকাটোৰ সাম্প্ৰতিক জীৱিকা সম্পৰ্কত তলত উল্লেখ কৰা বিষয়ত স্থিতি নিৰূপণ কৰা হয়।

(ক) প্ৰাকৃতিক মূলধন

(খ) আন্তঃগাঁথনিগত মূলধন

(গ) সামাজিক মূলধন

(ঘ) মানৱ মূলধন

(ঙ) বিত্তীয় মূলধন

**প্ৰাকৃতিক মূলধন** ঃ বৰ্তমানৰ ফটাশিমুল ই ডি চি মঙলদৈ বন্যপ্ৰাণী সংৰক্ষণ মণ্ডলৰ অধীনস্থ আৰু ই ডি চি এলেকাত তিতাচপা, চিদা, এজাৰ আদি মূল্যৱান গছ আছে। এলেকাটোৰ সমীপৰে পাঁচনৈ নদীখন বৈ গৈছে।

গাঁওবাসীয়ে কৃষিকৰ্ম আৰু পশুপালনৰ বাবে নৈৰ পানী ব্যৱহাৰ কৰে তথা খোৱাপানী আৰু ঘৰুৱা ব্যৱহাৰৰ বাবে গভীৰ নলীনাদ ব্যৱহাৰ কৰে।

(অনুসূচী-৬ তালিকা-১০ত বিশদ উল্লেখ আছে।)

**আন্তঃগাঁথনিগত মূলধন** ঃ ফটাশিমুল ই ডি চিৰ গৰিষ্ঠসংখ্যক আৱাসী ধান খেতি, পাচলি, মৰাপাট আৰু তৰমুজ খেতিত জড়িত তথা তেওঁলোকক সাধাৰণ খেতিয়ক হিচাপে চিহ্নিত কৰা হৈছে।

(অনুসূচী-৬ তালিকা- ৩ত আৱাসীৰ দখলীকৃত মাটিৰ তথ্য দিয়া হৈছে।)

গাঁওখনত মুঠ আৱাসীৰ ভিতৰত ২টা পৰিয়ালৰ পকী ঘৰ, ২০টা পৰিয়ালৰ আধা পকী আৰু বাকী ৮২টা পৰিয়ালৰে কেঁচা ঘৰ আছে। আৱাসীসকলৰ ইন্ধন ব্যয়ৰ হিচাপ অনুযায়ী অধিকসংখ্যকে ঘৰুৱা তথা অন্যান্য বাৱহাৰৰ বাবে খৰিৰ ওপৰত নিৰ্ভৰশীল।

(অনুসূচী-৬ তালিকা-১১ত বিশদ উল্লেখ আছে।)

গাঁওখনৰ ভিতৰত এখন নিম্ন প্ৰাথমিক বিদ্যালয়, অংগনৱাড়ী কেন্দ্ৰ আৰু মাদ্ৰাছা আছে।

(অনুসূচী-৬ তালিকা-৫ত বিশদ উল্লেখ আছে।)

জলসম্পদৰ ভিতৰত ই ডি চি এলেকাটোত ২টা কুঁৱা, ৪০টা দমকল আৰু ১খন নৈ পোৱা যায়।

**সামাজিক মূলধন** ঃ সজাগতা কাৰ্যসূচীৰ সময়ত গাঁওবাসীৰ অংশগ্ৰহণ সক্ৰিয় আছিল যদিও গাঁওবাসীয়ে তেওঁলোকে পাব পৰা সা-সুবিধা আদিৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে জ্ঞাত নহয়। গাঁওখনত কোনো আত্মসহায়ক গোট নাই। গাঁওখনত কেৱল এটা মছজিদ আছে। আনহাতে ই ডি চি এলেকাটোতে কোনো সমূহীয়া প্ৰেক্ষাগৃহ নাই।

**মানৱ মূলধন** ঃ ই ডি চি এলেকাটোৰ মুঠ জনসংখ্যাৰ ভিতৰত ৬০ শতাংশ লোক অশিক্ষিত। আনহাতে ২০ শতাংশতকৈও কম (প্ৰায় ১৮.৮৬ শতাংশ) লোকে প্ৰাথমিক পৰ্যায়ৰ শিক্ষা গ্ৰহণ কৰিছে। অৱশ্যে মাত্ৰ ২.৪৩ শতাংশ লোকে উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ আৰু ০.২৮ শতাংশই স্নাতক অথবা স্নাতকোত্তৰ পৰ্যায়ৰ শিক্ষা গ্ৰহণ কৰিছে।

(অনুসূচী-৩ তালিকা-৩.২ত বিশদ উল্লেখ আছে।)

**বিত্তীয় মূলধন** ঃ ই ডি চি এলেকাটোত কোনো ধৰণৰ চৰকাৰী বেংক-বিত্তীয় প্ৰতিষ্ঠান নাই। ই ডি চি এলেকাৰ পৰা ১৭ কিঃমিঃ দূৰত্বত চিৰাজুলি এলেকাত এটা বেংক আছে। অৱশ্যে গাঁওখনতো কোনো আত্মসহায়ক গোট নাই। সেয়ে গাঁওবাসীয়ে কোনো ধৰণৰ সা-সুবিধা লাভ কৰা নাই। প্ৰায় ৬০ শতাংশ লোকৰে বাণিজ্যিক বেংকত একাউণ্ট আছে যদিও বিত্তীয় সা-সুবিধাৰ ক্ষেত্ৰত তেওঁলোক জ্ঞাত নহয়।

**জীৱিকাৰ ধৰণ** ঃ ফটাশিমুল ই ডি চি এলেকাৰ জীৱিকা সম্পৰ্কীয় কাম-কাজক নিম্নোক্ত চৰ্তসমূহৰ ভিত্তিত চিনাক্ত কৰা হৈছে।

(ক) ই ডি চি এলেকাৰ মুঠ আয়ৰ ভিতৰত বিশেষ জীৱিকাৰ অৱদান

(খ) বিশেষ শ্ৰেণীৰ জীৱিকাৰে আয় কৰা লোকৰ সংখ্যা শতাংশৰ ভিত্তিত

(গ) সম্ভাব্য জীৱিকাৰ বাবে অগ্ৰাধিকাৰ ভিত্তিত শ্ৰেণীবদ্ধকৰণ

**ই ডি চি এলেকাৰ মুঠ আয়ৰ ভিতৰত বিশেষ জীৱিকাৰ অৱদান** ঃ ই ডি চি এলেকাটোৰ মুঠ আয়ৰ ভিতৰত মূল জীৱিকাৰ পৰা অৱদানসমূহ—

(ক) ধান খেতি, (খ) মৰাপাট, তৰমুজৰ খেতি, (গ) দৈনিক মজুৰি, (ঘ) পশুপালন

**বিশেষ শ্ৰেণীৰ জীৱিকাৰে আয় কৰা লোকৰ সংখ্যা শতাংশৰ ভিত্তিত** ঃ গাঁওখনত চলোৱা পি আৰ এ অনুশীলন আৰু আৱাসৰ সমীক্ষা অনুসৰি ওপৰত উল্লেখিত জীৱিকাত গাঁওবাসীয়ে বছৰটোত জড়িত হয়।

প্ৰাথমিক জীৱিকা ঃ ধান খেতি, দিন মজুৰি

বিকল্প জীৱিকা ঃ মৰাপাট, উদ্যান শস্য

**সম্ভাব্য জীৱিকাৰ বাবে অগ্ৰাধিকাৰ ভিত্তিত শ্ৰেণীবদ্ধকৰণ** ঃ অগ্ৰধিকাৰ ভিত্তিত জীৱিকাৰ শ্ৰেণীবদ্ধকৰণ আৰু দক্ষতা বিকাশ
(১) কৃষি, (২) উদ্যান শস্য, (৩) শ্ৰম মজুৰি

## ৪ জীৱিকাৰ সুযোগ বিশ্লেষণ

**পি আৰ এ অনুশীলন** ঃ ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানৰ জৰিয়তে ফটাশিমুল ই ডি চিত এক অনুশীলন চলোৱা হৈছিল— তাৰিখ ঃ ২৬ এপ্ৰিল ২০১৭, স্থান ঃ মুকলি পথাৰ। উপস্থিত জনসংখ্যা ঃ ৩৫জন। ই ডি চিৰ সামাজিক সদস্যৰ উপৰি ইয়াত উপস্থিত আছিল— গাঁওবুঢ়া, কাৰ্যবাহী সদস্য, বন বিভাগৰ সদস্য আদি।

**লক্ষ্য** ঃ ফটাশিমুল ই ডি চিৰ ৰাইজৰ সৰ্বাংগীণ বিকাশৰ উদ্দেশ্যে আৱাসী লোকসকলৰ বৰ্তমানৰ অৱস্থা সম্পৰ্কত গঞা ৰাইজৰ মাজৰ পৰা বিভিন্ন খবৰ গ্ৰহণ কৰি বনাঞ্চল বিকাশ আৰু জীৱিকা বিকাশৰ সূত্ৰ উদ্ভাৱন কৰাটোৱেই ইয়াৰ লক্ষ্য।

**পদ্ধতিৰ ব্যৱহাৰ আৰু ইয়াৰ পৰিণতি** ঃ পদ্ধতিৰ ব্যৱহাৰ আৰু ইয়াৰ পৰিণতি তলত দিয়া ধৰণে—

সামাজিক মেপিং
সম্পত্তি আহৰণকাৰীৰ স্থান
সময়ভিত্তিক পৰ্যালোচনা
জীৱন ধাৰণৰ অৱস্থাসমূহ
ভেন চিত্ৰ
চপাটি চিত্ৰ
অনুসূচী ঃ ৩ ওপৰোক্ত বিষয়বোৰৰ সম্পূৰ্ণকৈ আলোকপাত কৰা হৈছে।

**শ্ৰেণীবদ্ধকৰণ** ঃ নিম্নোক্ত বিষয়কেইটাৰ বাবে শ্ৰেণীবদ্ধকৰণ অনুশীলন চলোৱা হয়।
(১) প্ৰাৰম্ভিক কাৰ্য ব্যৱস্থাপনা (ই পি এ)
(২) জীৱিকা আৰু নৈপুণ্য বিকাশ

ই পি এৰ শ্ৰেণীবদ্ধকৰণ

| **স্থান** | **গাঁৱৰ ই পি এৰ শ্ৰেণীবদ্ধ** | **বিশদ বিৱৰণ তালিকা- ৩ বিশেষভাৱে দিয়া আছে** | **সম্ভাব্য বিত্তীয় উৎস** |
|---|---|---|---|
| ১ | সময় স্তম্ভ | কৃষি শস্যৰ সুৰক্ষাৰ বাবে | ই পি এ/এ পি এফ বি চি |
| ২ | সৌৰ বেৰ | কৃষি শস্যৰ সুৰক্ষাৰ বাবে | ই পি এ/এ পি এফ বি চি |
| ৩ | উদ্যান শস্য | কৃষি শস্যৰ সুৰক্ষাৰ বাবে | ই পি এ/এ পি এফ বি চি |
| ৪ | শোচাগাৰ | প্ৰতি পৰিয়াললৈ অনাময় ব্যৱস্থা | স্বচ্ছ ভাৰত অভিযানৰ অধীনত |
| ৫ | প্ৰেক্ষাগৃহ | সামাজিক সভা আৰু অন্যান্য অনুষ্ঠান আয়োজনৰ বাবে | ই পি এ/এ পি এফ বি চি |

**জীৱিকাৰ সুযোগ** ঃ জীৱিকাৰ সুযোগবোৰ তলত চিনাক্ত কৰা হ'ল—

- উদ্যান শস্য,
- ধান খেতি
- দিন হাজিৰা

জীৱিকাৰ সুযোগবোৰ তলত চিনাক্ত কৰা হ'ল—

**কৃষি আৰু উদ্যান শস্য** ঃ এই সন্দৰ্ভত তালিকা ১২, ৰেকৰ্ড ২ত সবিশেষ তথ্য দাঙি ধৰা হৈছে।

**মূল সমস্যাসমূহ—**
(ক) বন্যপ্ৰাণীৰ পৰা সুৰক্ষাৰ বাবে বেৰৰ অভাৱ।
(খ) পৰ্যাপ্ত জলসিঞ্চন ব্যৱস্থাৰ অভাৱ।

(গ) কৃষি খণ্ডৰ বিকাশৰ বাবে আধুনিক যন্ত্ৰ-পাতিৰ অভাৱ।

(ঘ) উচ্চ উৎপাদনমুখী বীজৰ ব্যৱহাৰৰ অভাৱ।

**সুযোগসমূহ—**

(ক) কৃষিভূমিৰ সুৰক্ষাৰ বাবে সামাজিক বেৰৰ ব্যৱস্থা।

(খ) জলসিঞ্চন ব্যৱস্থা আৰু জলসিঞ্চন বিভাগৰে যোগাযোগ।

(গ) আধুনিক প্ৰযুক্তিৰ সৈতে পৰিচয়।

(ঘ) উচ্চ উৎপাদনমুখী বীজৰ ব্যৱহাৰ।

এইক্ষেত্ৰত নিম্নোক্ত পৰামৰ্শ আগবঢ়োৱা হ'ল—

- জৈৱিক কৃষিকৰ্মৰ বাবে প্ৰশিক্ষণ।
- বিভিন্ন চৰকাৰী আঁচনিৰ সুবিধা লাভৰ বাবে চৰকাৰী বিভাগৰে যোগসূত্ৰ।
- চৰকাৰী আঁচনি, যেনে— আৰ কে ভি ৱাই, এন এফ এছ এম আদি সন্দৰ্ভত সজাগতা অভিযান চলাব পৰা যায়।

**কাঠবিহীন বনজ উৎপাদক (এন টি এফ পি)** ঃ **অঞ্চলটোৰ গাঁওসমূহ সংৰক্ষিত এলেকাৰ সমীপৱৰ্তী হেতুকে এই শিতানত কোনো সুযোগ নাই।**

**বিশেষীকৰণ শৈলী** ঃ **তালিকা নং- ১৫ৰ ৰেকৰ্ড ২**ৰ জৰিয়তে নৈপুণ্য উন্নীতকৰণৰ বিভিন্ন প্ৰথা দেখুওৱা হৈছে—

**মুখ্য সমস্যাসমূহ হ'ল—**

- বস্তুৰ বিন্যাসীকৰণৰ অভাৱ
- বস্তুৰ গুণগত দিশৰ ওপৰত উপযুক্ত গৱেষণাৰ অভাৱ
- উপযুক্ত কাৰিকৰী দিশৰ অভাৱ

**সুবিধাসমূহ হ'ল—**

- নতুন বজাৰৰ সন্ধান
- আৱশ্যকতা আৰু চাহিদাৰ ভিত্তিত উৎপাদিত সামগ্ৰীৰ বিকাশ

**উল্লেখনীয় পৰামৰ্শসমূহ হ'ল—**

- আধুনিক সা-সঁজুলিৰ ওপৰত প্ৰশিক্ষণ দিয়া
- দক্ষতাৰ বিকাশ আৰু প্ৰশিক্ষণেৰে নতুন ভিন্ন সামগ্ৰীৰ উৎপাদন
- পাইকাৰী হাৰত বস্তুৰ উৎপাদন আৰু বজাৰৰ মাজত এটা যোগসূত্ৰ সৃষ্টি কৰা

**ঋণৰ সুবিধা** ঃ **তালিকা নং- ১৬ৰ ৰেকৰ্ড ২**ৰ জৰিয়তে বিষয়সমূহ আলোচিত হৈছে।

**মুখ্য সমস্যাসমূহ হ'ল—**

- আৰ্থিক ঋণ ব্যৱস্থাৰ অভাৱ।
- ব্যক্তিগতভাৱে ঋণ দিওঁতাই উচ্চ সুদৰ হাৰ বিচাৰে।

**সুবিধাসমূহ হ'ল—**

- অৰ্থনৈতিক সংস্থা প্ৰতিষ্ঠা কৰা

**উপদেশকাৰী আঁচনিসমূহ হ'ল—**

- ৰাজসাহায্যযুক্ত বিভিন্ন আঁচনি সম্পৰ্কত সজাগতা অভিযান।

**কৌশলগত হস্তক্ষেপ** ঃ ওপৰত উল্লিখিত উপদেশকাৰী আঁচনিসমূহক জীৱিকা নিৰ্ধাৰণৰ উন্নয়নকাৰী আঁচনিৰ কৌশলগত হস্তক্ষেপ বুলি বৰ্ণনা কৰা হৈছে।

**(১) কৃষি আৰু উদ্যান শস্য ঃ** ট্ৰেক্টৰৰ প্ৰশিক্ষণ, কৃষি নৈপুণ্যৰ আঁচনি, কীটনাশক, সাৰ ইত্যাদিৰ প্ৰকৃত ব্যৱহাৰৰ ওপৰত প্ৰশিক্ষণ।

**(২) বয়ন আৰু চিলাই কাম ঃ** আধুনিক যন্ত্ৰ-পাতিৰ ব্যৱহাৰৰ বাবে প্ৰশিক্ষণ আৰু বয়ন শিল্পী সংগঠনৰ সৈতে চামিলকৰণ

**(৩) কাঠবিহীন বনজ উৎপাদক ঃ** সুযোগ নাই

**(৪) বিশেষ নৈপুণ্য ঃ** আধুনিক প্ৰযুক্তিবিদ্যাৰ ওপৰত প্ৰশিক্ষণ।


**(৫) ঋণৰ সুবিধা ঃ** ঘৰৰ ওচৰতে আধুনিক আৰ্থিক অনুষ্ঠান স্থাপন কৰা।

<u>অনুসূচীৰ তালিকা</u>



| অনুসূচী | শিৰোনাম | পৃষ্ঠা নং |
|---|---|---|
| ১ | **মেপ** | |
| | এলেকাৰ মেপ | ১৪ |
| | গাঁৱৰ মেপ | ১৫ |
| | সম্পদৰ উৎসৰ মেপ | ১৬ |
| ২ | **গাঁৱৰ ব্যৱহৃত মাটিৰ মেপ (জি আই এছ)** | ১৭ |
| ৩ | **পি আৰ এ অনুশীলন** | ১৮ |
| | সামাজিক মেপ নিৰ্মাণ | ২০-২১ |
| | সম্পদশালীৰ মেপ নিৰ্মাণ | ২১ |
| | নিৰ্দিষ্ট সময়ৰ ঘটনাৱলীৰ পৰ্যালোচনা | ২২ |
| | বতৰকেন্দ্ৰিক জীৱিকা | ২২ |
| | ভেন চিত্ৰ | ২৪ |
| | চপাটি চিত্ৰ | ২৫ |
| | অগ্ৰাধিকাৰ— ই পি এ আৰু সম্ভাব্য জীৱিকা | ২৬-২৭ |
| ৪ | **ছবি** | ২৮ |
| ৫ | **ই ডি চিৰ কাৰ্যবাহী সদস্যৰ তালিকা** | ২৯ |
| | **বয়ন প্ৰশিক্ষণৰ বাবে উদ্যোগীৰ তালিকা** | ৩০ |
| | **ই ডি চিৰ পঞ্জীয়ন পত্ৰ** | এন এ |
| ৬ | **পূৰ কৰা প্ৰ-পত্ৰৰ তালিকা** (প্ৰ-পত্ৰ ১-৪লৈ) তালিকা ১-১৫লৈ | ৩১-৩৭ |

# অনুসূচী- ১


## ১. এলেকাৰ মানচিত্ৰ



# ২. গাঁৱৰ মানচিত্ৰ



MANGALDAI
Village Map
N
S
E
W
RIVER
ROAD
L.P. SCHOOL
MASJID
VEGITABLE
PADDY
RING WELL
HOUSE HOLD
MADRASA SCHOOL
WATCH TOWER
TUBE WELL
AWC
RAJIB GANDHI ORANG NATIONAL PARK
Signatures:
Md. Baharul Islam
Hamidur Rahman
Abdul Malek
Abul Taher
MD. BAHARUL ISLAM
Abdul Siddik
Divisional Forest Officer
Mangaldai Wildlife Divn.
Darrang

## ৩. ফটাশিমুল ই ডি চিৰ সম্পদৰাজিৰ উৎস



# অনুসূচী- ২

## মাটিৰ ব্যৱহাৰৰ মেপ



## অনুসূচী-৩

## পি আৰ এ কাৰ্য প্ৰণালী

## গ্ৰামীণ অংশগ্ৰহণকাৰীৰে বুজাবুজিৰ বাবে স্থান আৰু সময়

| অংশগ্ৰহণকাৰীৰ সংখ্যা | ৩৫ |
|---|---|
| সময় | ১০.৩০ বজা, ২৬ এপ্ৰিল ২০১৭ |
| স্থান | খোলা ঠাই (ফটাশিমুল ই ডি চি) |

**তালিকা ৩.১**— ফটাশিমুল ই ডি চিৰ অন্তৰ্গত গাঁৱৰ তথ্য

| ক্ৰ. নং | গাঁৱৰ নাম | পৰিয়ালৰ সংখ্যা | জনসংখ্যা | | |
|---|---|---|---|---|---|
| | | | মুঠ | পুৰুষ | মহিলা |
| ১ | ফটাশিমুল | ১০৪ | ৭০০ | ৩৩০ | ৩৭০ |
| | মুঠ | ১০৪ | ৭০০ | ৩৩০ | ৩৭০ |

উৎস ঃ ক্ষেত্ৰ এলেকা সমীক্ষা

**তালিকা ৩.২**— ফটাশিমুল ই ডি চিত শিক্ষাৰ মান

| অশিক্ষিত | প্ৰাথমিক | মাধ্যমিক | উচ্চ মাধ্যমিক | উচ্চতৰ মাধ্যমিক | স্নাতক আৰু তাৰ ওপৰৰ | মুঠ |
|---|---|---|---|---|---|---|
| ৪২০ | ১৩২ | ৮৭ | ৪২ | ১৭ | ২ | ৭০০ |

**তালিকা ৩.৩**— ফটাশিমুল ই ডি চিত উপাৰ্জনৰ শ্ৰেণীবদ্ধকৰণ

| উপাৰ্জনৰ শ্ৰেণী (টকাৰ হিচাপত) বছৰি | পৰিয়ালৰ সংখ্যা |
|---|---|
| ৬০০০০-৮০০০০ | ২৪ |
| ৮০০০০-১০০০০০ | ৪৪ |
| ১০০০০০-১২০০০০ | ২০ |
| ১২০০০০-১৪০০০০ | ১৪ |
| > ১৪০০০০ | ২ |

পি আৰ এ অনুশীলনৰ বাবে ব্যৱহৃত বিভিন্ন আহিলাবোৰ—

(ক) সামাজিক মেপিং
(খ) সম্পত্তি আহৰণকাৰীৰ স্থান
(গ) সাময়িক ঘটনাৰ পৰ্যালোচনা
(ঘ) বতৰভিত্তিক কৰ্মৰ পৰ্যালোচনা
(ঙ) ভেন চিত্ৰ
(চ) চপাটি চিত্ৰ

## ৩.১ সামাজিক মানচিত্ৰ


ফটাশিমুল ই ডি চিৰ অন্তৰ্গত আৱাসীয় এলেকাত থকা সা-সুবিধা, যেনে— বিদ্যালয়ৰ সংখ্যা, আৱাস নিৰ্মাণৰ পদ্ধতি, সামাজিক আন্তঃগাঁথনি আৰু ধৰ্মীয় বিশ্বাস আদিৰ প্ৰতিচ্ছবি দাঙি ধৰিবলৈ এই মানচিত্ৰ ব্যৱহাৰ কৰা হয়। গাঁওবাসীয়ে এই মানচিত্ৰ প্ৰস্তুতকৰণ প্ৰক্ৰিয়াত অতি সক্ৰিয়তাৰে আৰু উৎসাহেৰে অংশগ্ৰহণ কৰে।

প্ৰথমে গাঁওবাসীক অঞ্চলটোৰ মূল পথসমূহ অংকন কৰিবলৈ দি তেওঁলোকৰ নিজৰ আৱাস, গাঁৱত থকা সামাজিক অনুষ্ঠান আৰু চৰকাৰী কাৰ্যালয় আদি যথাযথ স্থানত চিহ্নিত কৰিবলৈ নিৰ্দেশ দিয়া হয়। এইক্ষেত্ৰত পি আৰ এ সদস্যসকলে অংশগ্ৰহণ গাঁওবাসীক সহযোগ কৰে। শিবিৰটোত এই অনুশীলন প্ৰক্ৰিয়াত গাঁওবাসীয়ে নিজৰ নিজৰ আৱাসসমূহ চিহ্নিত কৰিবলৈ সক্ষম হয়।

**তালিকা ৩.১—** গাঁওখনৰ তথ্য

| **সামাজিক তথ্য** | **গাঁৱৰ নাম** | **ফটাশিমুল** |
|---|---|---|
| | মুঠ জনসংখ্যা | ৭০০জন |
| | পুৰুষ | ৩৭০জন |
| | মহিলা | ৩৩০গৰাকী |
| | মুঠ আৱাস | ১০৪টা |
| | পকীঘৰৰ সংখ্যা | ২টা |
| | কেঁচা ঘৰৰ সংখ্যা | ৮২টা |
| | আধা পকী ঘৰৰ সংখ্যা | ২০টা |
| **উল্লেখযোগ্য স্থান** | নদী | ১খন |
| | জনস্বাস্থ্য কাৰিকৰী ব্যৱস্থা | নাই |
| | প্ৰেক্ষাগৃহ | নাই |
| | সমূহীয়া হেণ্ড পাম্প | নাই |
| | কুঁৱা | ২টা |
| | মথাউৰি | নাই |
| | বান্ধ | নাই |
| | খেলপথাৰ | নাই |
| | পুথিভঁৰাল | নাই |
| | মছজিদ | ১টা |

## ১.ফটাশিমুল ই ডি চিৰ সামাজিক মেপ



## সামাজিক মেপত পোৱা তথ্য

- সামাজিক মানচিত্র প্রস্তুত কৰা সময়ত অংশগ্রহণকাৰীসকলে অঞ্চলটোত ১০৪টা পৰিয়ালৰ আৱাস চিহ্নিত কৰে। ইয়াৰ ভিতৰত ২টা পকী আৱাস, ২০টা আধা পকী আৰু অৱশিষ্ট ৮২টা কেঁচা ঘৰ হিচাপে চিহ্নিত হয়। এলেকাটোত দাৰিদ্র্য সীমাৰেখাৰ তলৰ ৩টা পৰিয়ালে ইন্দিৰা আৱাস যোজনাৰ অধীনত লাভান্বিত হোৱা দেখা যায়। ইয়াৰ পৰাই স্পষ্ট হয় যে গাঁওখনত বসবাস কৰা দুখীয়া পৰিয়ালৰ লোকসকলক ইন্দিৰা আৱাস যোজনাৰ আঁচনিয়ে পূৰ্ণ ৰূপে সামৰি ল'ব পৰা নাই।
- আৱাসী পৰিয়ালৰ ব্যক্তিগত ঘৰসমূহৰ উপৰি গুৰুত্বপূৰ্ণ অনুষ্ঠান-প্ৰতিষ্ঠান, যেনে— নিম্ন প্ৰাথমিক বিদ্যালয়, অংগনৱাড়ী কেন্দ্ৰ, মছজিদ ৰাজহুৱা কুঁৱা  আদি মানচিত্ৰত অন্তৰ্ভুক্ত কৰা হয়।
- গাঁওবাসীৰ বাবে খোৱাপানীৰ মুখ্য উৎস হৈছে কুঁৱা আৰু দমকল।
- এলেকাটোত শিক্ষা ব্যৱস্থাটো সন্তোষজনক নহয়। এলেকাটোত কেৱল এখন মাত্ৰ এখন  প্ৰাথমিক বিদ্যালয়ত বাদে মাধ্যমিক আৰু হাইস্কুল পৰ্যায়ৰ শৈক্ষিক প্ৰতিষ্ঠান নাই।
- গাঁওখনৰ সকলো লোকেই মুছলমান সম্প্ৰদায়ৰ।

**দেখা গ'ল—**

- ই ডি চি এলেকাটোত বিদ্যুৎ যোগান ব্যৱস্থা আছে যদিও সঘন বিদ্যুৎ যোগান ব্যাহত হোৱা সমস্যাটো অন্যতম প্ৰধান সমস্যা।
- গাঁওবাসীয়ে ৰন্ধন কাৰ্যৰ বাবে বনাঞ্চলৰ কাঠ খৰিৰ ওপৰত নিৰ্ভৰশীল।
- সকলো প্ৰয়োজনীয় গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান, যেনে— মাধ্যমিক স্কুল, হাইস্কুল, স্বাস্থ্যকেন্দ্ৰ আদি গাঁওখনৰ পৰা যথেষ্ট দূৰৈত (বৰচলাত) অৱস্থিত। বেংক আদি ১৫ কিলোমিটাৰ দূৰত্বত ঢেকীয়াজুলিত অৱস্থিত।
- ই ডি চি এলেকাৰ অধীনত ৩টা গ্ৰাম্য পুথিভঁৰাল আছে, য'ত বিভিন্ন সভা আদি অনুষ্ঠিত হয়।
- ই ডি চি এলেকাৰ গাঁওবাসীয়ে শস্যৰ অৱশিষ্ট, ৰন্ধন সামগ্ৰীৰ অৱশিষ্ট আৰু ঘাঁহ আদিৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল।
- অঞ্চলটোৰ কৃষি আৰু পশুধন আদি বনৰীয়া জন্তুৱে আংশিকভাৱে বিনষ্ট কৰে। অঞ্চলটোৰ নিকটৱৰ্তী ৰাষ্ট্ৰীয় উদ্যানৰ পৰা বনৰীয়া জন্তু ওলাই আহি ধ্বংসকাৰ্যত লিপ্ত হয়। কিয়নো এলেকাটোত সামাজিক সুৰক্ষা বেহুৰ ব্যৱস্থা নাই।
- ই ডি চি এলেকাটোত কোনো ধৰণৰ বজাৰ ব্যৱস্থা নাই। ইয়াৰ জনসাধাৰণে সাপ্তাহিক বজাৰৰ বাবে ৩ কিলোমিটাৰ দূৰৈত অৱস্থিত বৰচলালৈ যাবলগীয়া হয়।

## ৩.২ সম্পত্তিৰ শ্ৰেণীবদ্ধকৰণ


সম্পত্তিৰ শ্ৰেণীবদ্ধকৰণ বা আৱাসী লোকৰ অৰ্থনৈতিক অৱস্থাৰ বিষয়টোৱে এলেকাটোৰ জনসাধাৰণৰ অৰ্থনৈতিক অৱস্থাটোৰ পৰ্যালোচনা কৰাৰ লগতে চিহ্নিতও কৰিছে। সমীক্ষকসকলক এইক্ষেত্ৰত প্ৰকল্পৰ পৰা লাভান্বিত হ'ব পৰা ব্যৱস্থাৰে আৰ্থ-সামাজিক স্থিতিৰ ওপৰত সন্তুষ্টি প্ৰদান কৰাৰ লগতে স্থানীয় লোকসকলৰ এই সম্পৰ্কীয় ধাৰণা আৰু তেওঁলোকক ইংগিত প্ৰদানত সহায় কৰিছে।

তলত উল্লেখ কৰা বৈশিষ্ট্যসমূহৰ ওপৰত ভিত্তি কৰি সম্পত্তিৰ শ্ৰেণীবদ্ধকৰণ প্ৰক্ৰিয়া চলোৱা হয়।

(ক) ভূমিৰ স্বত্ব

(খ) বৃত্তি

গাঁওখনৰ ২৩.০৮ শতাংশ লোকেই দুখীয়া শ্ৰেণীৰ, ৭৫.০ শতাংশ লোকহে মধ্যম শ্ৰেণীৰ আৰু ১.৯২ শতাংশ ধনিক শ্ৰেণীৰ লোক। দুখীয়া লোকসকলে দিন হাজিৰা কৰি জীৱন নিৰ্বাহ কৰে। একেদৰে কেতিয়াবা তেওঁলোকে নিজৰ মাটিডৰা আনক আধি হিচাপে চহাব দিয়ে। এই পৰিয়ালসমূহৰো কৃষিভূমি আছে।




**তালিকা ৩.১**— সম্পদশালী ব্যক্তিৰ শ্ৰেণীবদ্ধকৰণ

## ৩.৩ ঘটনাপ্ৰবাহৰ পৰ্যালোচনা

এলেকাটোত বিগত সময়ছোৱাত ঘটি যোৱা গুৰুত্বপূৰ্ণ তথা ঐতিহাসিক ঘটনা সন্দৰ্ভত সমীক্ষকৰ দলে ঘটনাপ্ৰবাহৰ ওপৰত এক পৰ্যালোচনা চলায়। তেওঁলোকে গাঁৱৰ গাঁওবুঢ়া, বয়োজ্যেষ্ঠ নাগৰিক তথা ডেকাচামৰ সৈতে সংঘটিত ঘটনাসমূহৰ ওপৰত আলোচনা কৰে কেনেদৰে তেওঁলোকে সেই পৰিস্থিতিসমূহৰ সন্মুখীন হৈছিল তথা গাঁওখনৰ উন্নয়নত অগ্ৰসৰ হৈছিল ইত্যাদি সম্পৰ্কত। সেই আলোচনাৰ ভিত্তিত উল্লেখিত ঘটনাসমূহৰ তালিকা তলত দাঙি ধৰা হ'ল—

**তালিকা ৩.৩**— ঘটনাপ্ৰবাহৰ পৰ্যালোচনা


| **বছৰ** | **ঘটনা** | **ধৰণ** |
|---|---|---|
| ১৯৫৬ | মছজিদ স্থাপন | নিৰ্মাণ |
| ২০০১ | প্ৰাথমিক বিদ্যালয় স্থাপন | নিৰ্মাণ |
| ২০০৭ | প্ৰথম মাদ্ৰাছা | সাফল্য |
| ২০১৩ | প্ৰথম মেট্ৰিক পাছ | সাফল্য |

## ৩.৪ বতৰভিত্তিক জীৱিকাৰ মানচিত্ৰ

স্থানীয় লোকসকলে প্ৰকৃতিক পৰিৱেশ আৰু বতৰৰ ভিত্তিত পৰম্পৰাগতভাৱে চলাই অহা জীৱিকা-জীৱন ধাৰণ ব্যৱস্থাটোৱে জনসমূদায়টোত চলি অহা পৰম্পৰা আৰু নিৰ্দিষ্ট সময়ৰ স্পৰ্শকাতৰ স্থিতিসমূহৰ ওপৰত তথ্য আহৰণৰ অন্যতম আহিলা। এই সন্দৰ্ভত চলোৱা আলোচনাত তথ্যৰ সত্যতা নিৰূপণৰ বাবে গাঁওবাসীৰ পৰম্পৰাগত কেলেণ্ডাৰ ব্যৱহাৰ কৰা হয়। এই কেলেণ্ডাৰসমূহ প্ৰস্তুত কৰোঁতে অগ্ৰাধিকাৰ ভিত্তিত শিল, বীজ আদিৰ ব্যৱহাৰেৰে মানচিত্ৰত চিহ্নিত কৰা হয়।

আনহাতে, বতৰৰ কাম-কাজ আদি বুজাবৰ বাবে সাধাৰণ ৰেখাচিত্ৰও প্ৰস্তুত কৰিব পৰা যায়। বছৰটোৰ প্ৰতিটো বতৰৰ সামগ্ৰিক কৰ্ম আঁচনি ইয়াত দেখুৱাব পৰা যায়। বতৰৰ বিভিন্ন স্থিতি, যেনে— বৰষুণ, শস্যৰ পৰিক্ৰমা, শ্ৰমিকৰ চাহিদা, মজুৰিপ্ৰাপ্ত শ্ৰমিকৰ অৱস্থিতি, প্ৰব্ৰজন, মানুহৰ ৰোগ, ব্যয়ৰ পৰিমাণ আদিৰ স্থিতিও ৰেখাচিত্ৰত দেখুৱাব পৰি। লগতে গুৰুত্বপূৰ্ণ সময়, যেনে— উৎসৱ-পাৰ্বণ আদিও ৰেখাংকনেৰে বুজাব পৰি।

বতৰভিত্তিক মানচিত্ৰই প্ৰকৃততে বিভিন্ন শস্যৰ খেতিৰ বিৰণ দাঙি ধৰে। আমি এইক্ষেত্ৰত ধানখেতি আৰু ইয়াৰ বীজ সিঁচা, শস্য সামৰা আৰু শস্য চপোৱা আদি বিভিন্ন তথ্যক সামৰি লৈছোঁ। দেখা গৈছে যে গাঁওখনত মূল কৃষিভিত্তিক খেতিৰ ভিতৰত শালিধান, বৰো ধান, পাচলি, তৰমুজ, মৰাপাট আদিৰ খেতিয়ে অন্যতম। ই ডি চি এলেকাত জীৱিকাৰ ব্যৱস্থাসমূহৰ ভিতৰত কৃষি, উদ্যান শস্যৰ উৎপাদন, দিন মজুৰে, মিস্ত্ৰী আদি অন্যতম যদিও ই বতৰভিত্তিক নহয়।





**তালিকা ৩.২**— ফটাশিমুল ই ডি চিৰ বতৰভিত্তিক কৰ্মৰ মানচিত্ৰ

তালিকা ৩.৪— বতৰভিত্তিক খেতি


| শ্ৰেণী | ধৰণ | কাৰ্য সময় | | |
|---|---|---|---|---|
| কৃষি | | বীজ ৰোপণ | শস্য চপোৱা | শস্য উঠোৱা |
| | শালি আৰু বৰো | মে’-জুন | অক্টোবৰ-নৱেম্বৰ | — |
| | শাক-পাচলি (আলু, বিলাহী, কবি) | নৱেম্বৰ-ডিচেম্বৰ | ফেব্ৰুৱাৰী-মাৰ্চ | — |
| | সৰিয়হ | নৱেম্বৰ-ডিচেম্বৰ | ফেব্ৰুৱাৰী-মাৰ্চ | — |
| | মৰাপাট | ফেব্ৰুৱাৰী | আগষ্ট-ছেপ্টেম্বৰ | — |
| | তৰমুজ | নৱেম্বৰ-ডিচেম্বৰ | — | এপ্ৰিল-মে’ |
| অকৃষি | দিন মজুৰি | বছৰজোৰা | | |
| | পশুপালন | | | |
| | মিস্ত্ৰী | | | |

**উৎস ঃ** পি আৰ এ অনুশীলন

## ৩.৫ ভেন চিত্ৰ



## ৩.৬ চপাটি চিত্র


VCDC
5 Km
Bus Facility
3 Km
Primary Health Centre
3Km
FATASIMUL EDC
1Km
Post office
15Km
Bank
20Km
Railway Station
15 Km
Revenue office
50 Km
District Head quater
10km
Police Station
Signatures:
Divisional Forest Officer
Mangaldai Wildlife Divn.
Darrang

DIVISIONAL FOREST OFFICER MANGALDAI

**Priority Ranking of Entry Point Activity**

| Entry Point Activities | | Road | Drinking water | Electricity | Solar Fencing | Horticulture | Community Hall | Irrigation | Sanitation | Education | Watch Tower | Handloom | Marks | Rank |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | A | B | C | D | E | F | G | H | I | J | K | | |
| Road | A | < | B | C | D | E | F | G | H | I | J | A | 1 | 8 |
| Drinking water | B | | < | B | D | E | F | G | H | B | J | B | 4 | 6 |
| Electricity | C | | | < | D | E | F | G | H | C | J | K | 2 | 7 |
| Solar Fencing | D | | | | < | D | D | D | D | D | J | D | 9 | 2 |
| Horticulture | E | | | | | < | E | E | E | E | J | E | 8 | 3 |
| Community Hall | F | | | | | | < | F | H | F | J | F | 5 | 5 |
| Irrigation | G | | | | | | | < | H | G | J | G | 5 | 5 |
| Sanitation | H | | | | | | | | < | H | J | H | 6 | 4 |
| Education | I | | | | | | | | | < | J | K | 1 | 8 |
| Watch Tower | J | | | | | | | | | | < | J | 10 | 1 |
| Handloom | K | | | | | | | | | | | < | | |

Divisional Forest Officer
Mangaldai Wildlife Divn
Darrang

**Signatures:**

Md. Baharul Islam
Md Ayez Ali
Md. Moktar. Hussain
Hamidur Rahman
Abdul Malik
Abul Taher
Sofik Ali
MD: BAHARUL ISLAM
মো: মুবাৰক আলী
Md. Bani Ali
Abdul Siddik
Habi Jal


## অগ্ৰাধিকৰ ভিত্তিক শ্ৰেণীবদ্ধকৰণ আৰু জীৱিকাৰ কৰ্ম আঁচনি

তালিকা ঃ ৩.৫ জীৱিকাৰ সুযোগ শ্ৰেণীবদ্ধকৰণ

| **প্ৰশিক্ষণ আঁচনিৰ ধৰণ** | **অগ্ৰাধিকাৰ ভিত্তিত মূল্যাংকন** | | | | |
|---|---|---|---|---|---|
| | ১ | ২ | ৩ | ৪ | ৫ |
| উদ্যান শস্য সম্পৰ্কীয় | ১ | — | — | — | — |
| কৃষি সম্পৰ্কীয় | — | ২ | — | — | — |
| দিন হাজিৰা (মিস্ত্ৰী) | — | — | ৩ | — | — |

## অনুসূচী- ৪

## আলোকচিত্র





# অনুসূচী-৫

## ই ডি চিৰ কাৰ্যবাহী সদস্যৰ তালিকা

| ক্রমিক নং | নাম | পদবী | পুৰুষ-মহিলা |
|---|---|---|---|
| ১ | মঃ বাহাৰুল ইছলাম | সভাপতি | পুৰুষ |
| ২ | মঃ আইজ আলী | সম্পাদক | পুৰুষ |
| ৩ | মঃ মুকতাৰ আলী | কোষাধ্যক্ষ | পুৰুষ |
| ৪ | মিছেছ ছানচেৰাৰা বেগম | সদস্য | মহিলা |
| ৫ | মঃ ইছৰাফিল আলী | সদস্য | পুৰুষ |
| ৬ | মঃ আবুল হুছেইন | সদস্য | পুৰুষ |
| ৭ | মিছেছ জয়দা খাতুন | সদস্য | মহিলা |
| ৮ | মঃ শুকুৰ আলী | সদস্য | পুৰুষ |
| ৯ | মঃ মফিজ উদ্দিন | সদস্য | পুৰুষ |

O/O THE DIVISIONAL FOREST OFFICER
MANGALDAI

## List of Participants

| Sl. No. | Name of Participant | Sex | Age | Qualification |
|---|---|---|---|---|
| 1. | Akbul Ali | M | 48 | VI |
| 2. | Idrish Ali | M | 40 | VII |
| 3. | Ikrimal Hussain | M | 35 | VII |
| 4. | Miss Shahr Banu | F | 28 | V |
| 5. | Md. Shaidul Islam | M | 30 | VI |
| 6. | Md. Imam Ali | M | 22 | VII |
| 7. | Miss Marjikjan | F | 22 | V |
| 8. | Israfil Ali | M | 30 | VII |
| 9. | Md. Hazmur Ali | M | 40 | VI |
| 10. | Miss Jamila Khatun | F | 38 | V |
| 11. | Miss Arufa Khatun | F | 36 | VI |
| 12. | Mahit Uddin | M | 36 | VII |
| 13. | Md. Shahidul Islam | M | 25 | V |
| 14. | Miss Hanati Khatun | F | 24 | VII |
| 15. | Md. Abul Hussain | M | 30 | V |
| 16. | Md. Faridul Islam | M | 32 | VII |
| 17. | Md. Taibur Rahman | M | 30 | V |
| 18. | Md. Abul Kalam | M | 40 | VII |
| 19. | Miss Hanafi Bibi | F | 24 | VI |
| 20. | Md. Ahammed Ali | M | 24 | VII |
| 21. | Md. Abdul Jabbar | M. | 40 | V |
| 22. | Md. Rejak Ali | M | 32 | VI |
| 23. | Md. Ahammad RahamanAli | M | 35 | VI |
| 24. | Md. Abu Kalam | M | 25 | VIII |
| 25. | Md. Abdul Rahman | M | 35 | VI |
| 26. | | | | |
| 27. | | | | |

Divisional Forest Officer
Mangaldai Wildlife Divn.
Darrang

## অনুসূচী- ৬ (ৰেকৰ্ড-১)

## তালিকা- ১ ঃ ই ডি চিৰ প্ৰাথমিক তথ্য

তালিকা নং ১ ঃ ই ডি চিৰ প্ৰাথমিক তথ্য

| ই ডি চিৰ নাম | ফটাশিমুল |
|---|---|
| প্ৰতিষ্ঠাৰ বছৰ | ২০১৭ |
| কাৰ্যবাহী কমিটীৰ সদস্য সংখ্যা | ৯ |
| সভাপতিৰ নাম | মঃ বাহাৰুল ইছলাম |
| সম্পাদকৰ নাম | আইজ আলী |
| ভি ডি এফত জমা ধন | — |
| অংশগ্ৰহণ মাচুল প্ৰতি পৰিয়াল/ব্যক্তি | — |
| সামাজিক বেৰৰ ব্যৱহাৰ (আছে/নাই) | — |
| বিশেষ প্ৰাপ্তিৰ বাবে মন্তব্য | — |
| আৰ এফ অ'ৰ দ্বাৰা সফলতাৰ মাপ (%) | — |

## তালিকা- ২ ঃ প্ৰকল্প এলেকাৰ জনগাঁথনিৰ বিন্যাস

তালিকা নং ২ ঃ প্ৰকল্প এলেকাত জনগাঁথনিৰ বিন্যাস

| গাঁৱৰ নাম | ঘৰৰ সংখ্যা | সাধাৰণ | | | এম অ' বি চি | | এছ চি | | লিংগৰ স্থিতি (প্ৰতি ১০০০ পুৰুষৰ বিপৰীতে) | গড় পৰিয়াল (আনুমানিক) |
|---|---|---|---|---|---|---|---|---|---|---|
| | | মুঠ | পুৰুষ | মহিলা | পুৰুষ | মহিলা | পুৰুষ | মহিলা | | |
| ফটাশিমুল | ১০৪ | ৭০০ | ৩৪৮ | ৩২২ | ২২ | ৮ | — | — | ৮৯২ | ৭ |
| মুঠ | ১০৪ | ৭০০ | ৩৪৮ | ৩২২ | ২২ | ৮ | — | — | ৮৯২ | ৭ |

**উৎস ঃ** ক্ষেত্ৰ এলেকাৰ সমীক্ষা প্ৰতিবেদন

## তালিকা- ৩ ঃ মাটিৰ স্বত্বাধীকাৰৰ ভিত্তিত কৃষকৰ শ্ৰেণী

তালিকা নং ৩ ঃ গাঁও ভিত্তিত মাটিৰ স্বত্বাধিকাৰৰ ওপৰত নিৰ্ভৰ কৰি কৃষকৰ শ্ৰেণীবদ্ধকৰণ

| গাঁৱৰ নাম | মাটিৰ স্বত্বাধিকাৰৰ ভিত্তিত কৃষকৰ ধৰণ | | | | |
|---|---|---|---|---|---|
| | ডাঙৰ খেতিয়ক > ১০ হেক্টৰ | ক্ষুদ্ৰ খেতিয়ক ২ৰ পৰা ১০ হেক্টৰ | মধ্যমীয়া সাধাৰণ খেতিয়ক (প্ৰতি পৰিয়াল) < ২ হেক্টৰ | ভূমিহাৰা | মুঠ |
| ফটাশিমুল | — | ৭৮ | ০২ | ২৪ | ১০৪ |
| মুঠ | — | ৭৮ | ০২ | ২৪ | ১০৪ |

## তালিকা- ৪ ঃ পশুধনৰ সংখ্যা

তালিকা নং ৪ ঃ ই ডি চি এলেকাত পশুধনৰ সংখ্যা

| ক্ৰমিক নং | গাঁৱৰ নাম | গাঁওভিত্তিক পোহনীয়া জন্তুৰ তালিকা | | | |
|---|---|---|---|---|---|
| | | গাইগৰু | ছাগলী | কুকুৰা | মুঠ |
| ১ | ফটাশিমুল | ৩০০ | ২০০ | ১০০০ | ১৫০০ |
| মুঠ | | ৩০০ | ২০০ | ১০০০ | |

## তালিকা- ৫ ঃ গাঁৱৰ আন্তঃগাঁথনি

**তালিকা নং ৫ ঃ গাঁৱৰ আন্তঃগাঁথনি**

| ক্ৰমিক নং | আন্তঃগাঁথনি | স্থান | গাঁৱৰ পৰা দূৰত্ব |
|---|---|---|---|
| ১ | বাছ আস্থান | বৰচলা | ৩ কিঃমিঃ |
| ২ | বিদ্যুৎ যোগান | বৰচলা | ৩ কিঃমিঃ |
| ৩ | গেছৰ যোগান | বৰচলা | ৩ কিঃমিঃ |
| ৪ | প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ | বৰচলা | ৩ কিঃমিঃ |
| ৫ | প্ৰাথমিক বিদ্যালয় | গাঁৱৰ ভিতৰত | ০ কিঃমিঃ |
| ৬ | মজলীয়া বিদ্যালয় | বৰচলা | ৩ কিঃমিঃ |
| ৭ | ডাকঘৰ | ফটাশিমুল এন চি | ১ কিঃমিঃ |
| ৮ | হাইস্কুল | বৰচলা | ৩ কিঃমিঃ |
| ৯ | বেংক | চিৰাজুলি | ১৫ কিঃমিঃ |
| ১০ | অংগনৱাড়ী কেন্দ্ৰ | গাঁৱৰ ভিতৰতে | ০ কিঃমিঃ |
| ১১ | আৰক্ষী থানা | ওৰাং | ১০ কিঃমিঃ |
| ১২ | বন সংমণ্ডল অফিচ | ওৰাং | ১০ কিঃমিঃ |
| ১৩ | ফৰেষ্ট বীট অফিচ | গাঁৱৰ ভিতৰতে | ০ কিঃ মিঃ |
| ১৪ | ৰে'ল ষ্টেচন | মাজবাট | ২৫ কিঃমিঃ |
| ১৫ | কলেজ | চিৰাজুলি | ১৭ কিঃমিঃ |
| ১৬ | আৰক্ষী চকী | ওৰাং | ১০ কিঃমিঃ |
| ১৭ | সাপ্তাহিক বজাৰ | বৰচলা | ৩ কিঃমিঃ |
| ১৮ | ভি চি ডি চি | কাছাৰীচন | ৫ কিঃমিঃ |

## তালিকা- ৬ ঃ কৃষি শস্য

**তালিকা নং ৬ ঃ কৃষি শস্য**

| বিষয় | বৰষুণৰ দ্বাৰা উৎপাদিত | | জলসিঞ্চন | |
|---|---|---|---|---|
| | শস্যৰ নাম | মাটিকালি (হেক্টৰত) | শস্যৰ নাম | মাটিকালি (হেক্টৰত) |
| খাৰিফ | শালি, বৰো | ৪৬.৬৭ | — | — |
| ৰবি | আলু, বিলাহী, কবি | ১৩.৩৩ | — | — |
| | সৰিয়হ | ৬.৬৭ | — | — |
| অন্যান্য | মৰাপাট | ৭.০০ | — | — |
| | উদ্যান শস্য (তৰমুজ) | ২.৬৭ | — | — |

## তালিকা- ৭ ঃ ফটাশিমুল ই ডি চিৰ খেতি উৎপাদনৰ বিৱৰণ

তালিকা নং ৭ ঃ ফটাশিমুল ই ডি চিৰ খেতি উৎপাদনৰ বিৱৰণ

| শস্যৰ ধৰণ | মুঠ উৎপাদন (আনুমানিক)/কুইন্টল | প্ৰতি ঘৰৰ উৎপাদন | মুঠ উৎপাদন (আনুমানিক)/কুইন্টল | শস্য পথাৰৰ আনুমানিক এলেকা (হেক্টৰ) |
|---|---|---|---|---|
| ধান | ১৯৬০ | ৮০ | ৪২ | ৪৬.৬৭ |
| শাক-পাচলি | ১০০ | ৬০ | ৭.৫ | ১৩.৩৩ |
| সৰিয়হ | ৩৫ | ৬৫ | ৫.২৫ | ৮.৬৭ |
| উদ্যান শস্য | ২০ | ৪৫ | ৭.৫ | ২.৬৭ |
| মৰাপাট | ২০০ | ২০ | ৩০ | ৭.৩৩ |

## তালিকা- ৮ ঃ পশুধনৰ খাদ্য

তালিকা নং— ৮ ঃ ই ডি চিৰ অধীনত উপলব্ধ পশুখাদ্য

| খাদ্যৰ ধৰণ | ১ৰ পৰা ৩ মাহ | ৩ৰ পৰা ৬ মাহ | > ৬ মাহ |
|---|---|---|---|
| শস্যৰ অৱশিষ্ট | | √ | |
| ঘাঁহ-বন | | | √ |
| সেউজীয়া খাদ্য | | | √ |
| বনাঞ্চলৰ ঘাঁহনি | | √ | |

## তালিকা- ৯ ঃ গাঁৱৰ পৰা বজাৰৰ অৱস্থিতি

তালিকা নং ৯ ঃ গাঁৱৰ পৰা বজাৰৰ অৱস্থিতি/দূৰত্ব

| ক্ৰয় কৰাৰ বাবে | অৱস্থান | গাঁৱৰ পৰা দূৰত্ব (কিঃমিঃ) |
|---|---|---|
| ৰেচনৰ দোকান | বৰচলা | ৩ কিঃমিঃ |
| সাপ্তাহিক বজাৰ | বৰচলা | ৩ কিঃমিঃ |
| প্ৰধান বজাৰ | বৰচলা | ৩ কিঃমিঃ |
| বন নিগমৰ বিক্ৰী কেন্দ্ৰ | — | — |
| টেণ্ড্ৰু পট্টা পি এইচ এ ডি | — | — |
| মাছ বজাৰ | — | — |
| ঔধধি গছ সংগ্ৰহ কেন্দ্ৰ | — | — |
| বন নিগমৰ ঔধধি গছ সংগ্ৰহ কেন্দ্ৰ | — | — |

## তালিকা- ১০ ঃ জলসম্পদৰ সুবিধা

তালিকা নং— ১০ত গাঁওখনত উপলব্ধ জলসম্পদৰ সুবিধাৰ বিৱৰণ

| জলসম্পদ | সংখ্যা | পানীৰ উপলব্ধতা | ব্যৱহাৰ |
|---|---|---|---|
| নদী | ১ | বছৰজোৰা | জলসিঞ্চন, পশুপালন ইত্যাদি |
| কুঁৰা | ২ | ঋতুকালীন | খোৱাপানী, ঘৰত ব্যৱহৃত |

## তালিকা- ১১ ঃ ইন্ধনৰ ব্যৱহাৰ

তালিকা নং— ১১ত ফটাশিমুল ই ডি চি এলেকাত ব্যৱহৃত ইন্ধনৰ বিৱৰণ

| ইন্ধনৰ ধৰণ | নিৰ্ভৰশীল আৱাসৰ সংখ্যা | নিৰ্ভৰ হ'বলগীয়া মাহৰ সংখ্যা | সংগ্ৰহৰ উৎস (স্থানীয়ভাৱে, গাঁৱত, বনাঞ্চলত, অন্যান্য) | প্ৰধান/বিকল্প উৎস |
|---|---|---|---|---|
| খৰি | ১০৪ | গোটেই বছৰ | ঘৰুৱা/বনাঞ্চল | প্ৰধান উৎস |
| কেৰাচিন ষ্টভ | — | — | — | — |
| এল পি জি | — | — | — | — |
| বৈদ্যুতিক হিটাৰ | — | — | — | — |

রেকর্ড-২

## জীৱিকাৰ সুযোগ পর্যালোচনা

## তালিকা- ১২ কৃষি আৰু উদ্যান শস্য

তালিকা নং— ১২ত কৃষি আৰু উদ্যান ক্ষেত্ৰৰ তথ্যৰ বিৱৰণ

| সীমাবদ্ধতা | কাৰণ | সুযোগ | কার্য আঁচনি |
|---|---|---|---|
| ন্যূনতম উৎপাদন | ◆ বন্যপ্ৰাণীৰ কাৰণে বেৰৰ অভাৱ<br>◆ জলসিঞ্চনৰ ব্যৱস্থা নাই<br>◆ খেতিৰ বাবে আন্তঃগাঁথনিৰ অভাৱ, উচ্চ প্ৰযুক্তিবিদ্যাসম্পন্ন মেচিন ইত্যাদিৰ ব্যৱহাৰ নাই<br>◆ উচ্চ উৎপাদনসম্পন্ন বীজৰ ব্যৱহাৰ | ◆ জৈৱিক বেৰ ব্যৱস্থাৰ স্থাপন<br>◆ জলসিঞ্চন ব্যৱস্থা আৰু বিভাগৰে সংযোগ স্থাপন<br>◆ আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ<br>◆ পৰম্পৰাগত কৃষি পদ্ধতিত অভ্যস্ত কৃষকক আধুনিক কৃষি পদ্ধতি প্ৰদানৰ আৱশ্যকতা আছে। উচ্চ উৎপাদনমুখী বীজৰ ব্যৱহাৰৰ আৱশ্যক। | ◆ চৰকাৰী আঁচনিৰ লাভালাভৰ বাবে বিভাগৰ সৈতে যোগাযোগ। বিশেষকৈ জলসিঞ্চন ব্যৱস্থা<br>◆ ট্ৰেক্টৰৰ প্ৰশিক্ষণ<br>◆ উচ্চ উৎপাদনৰ বাবে সাৰ, কীটনাশক ব্যৱহাৰৰ প্ৰশিক্ষণ। |
| গুদাম আৰু উৎপাদন | ◆ উমৈহতীয়া গুদামৰ অভাৱ।<br>◆ প্ৰকৃত বিজুলী অবিহনে শীত-তাপ নিয়ন্ত্ৰিত ভঁৰাল নাই। | ◆ বিক্ৰী নোহোৱা সামগ্ৰী নির্দিষ্ট সময়ৰ বাবে সংৰক্ষিত কৰাৰ সুবিধা।<br>◆ প্ৰয়োজন অনুসৰি বস্তুসমূহ বিক্ৰী কৰা। | ◆ আধুনিক (পেকেজিং) টোপোলা নির্মাণ।<br>◆ সামগ্ৰীৰ সৰবৰাহ আৰু বিতৰণ। |
| বেচা-কিনা | ◆ উৎপাদিত সামগ্ৰীৰ সৰবৰাহৰ বাবে যাতায়াত ব্যৱস্থাৰ অভাৱ।<br>◆ বজাৰৰ সৈতে প্ৰত্যক্ষ যোগাযোগৰ অভাৱ, মধ্যভোগীৰ ওপৰত নির্ভৰশীল। | ◆ সামগ্ৰী সৰবৰাহৰ সুবিধাজনক যাতায়াত ব্যৱস্থাই ওচৰৰ বজাৰলৈ সামগ্ৰী কঢ়িওৱাত কৃষকক সহায় কৰিব। | |

## তালিকা- ১৩ পশুধন

তালিকা নং— ১৩ত পশুধন

| সীমাবদ্ধতা | কাৰণ | সুযোগ | কাৰ্য আঁচনি |
|---|---|---|---|
| চৰণীয়া পথাৰৰ অভাৰ | ◆ প্ৰযোজ্য নহয়। | — | — |
| পশু খাদ্যৰ উপলব্ধতা | ◆ প্ৰযোজ্য নহয়। | | |
| পশু চিকিৎসাৰ সুবিধা | ◆ কোনো পশু চিকিৎসা কেন্দ্ৰ নাই। | ◆ পশুপালন ব্যৱস্থাৰ বাবে প্ৰশিক্ষণ | |
| দুগ্ধ উৎপাদন আৰু ডায়েৰী উৎপাদক | ◆ দুগ্ধ উৎপাদনৰ বাবে পশুপালনৰ বৈজ্ঞানিক জ্ঞানৰ অভাৰ। | ◆ দুগ্ধ উৎপাদনৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষণ গ্ৰহণে দুগ্ধ উৎপাদনৰ দক্ষতা বৃদ্ধি কৰিব। | |
| গাখীৰৰ বজাৰ | ◆ গাখীৰৰ বাবে মুখ্য বজাৰৰ লগত কম সংযোগ | ◆ এই অঞ্চলত গাখীৰৰ বজাৰত প্ৰচুৰ চাহিদা দেখা যায়। | |

## তালিকা- ১৪ এন ডব্লিউ এফ পি

তালিকা নং— ১৪-ত এন ডব্লিউ এফ পি

| সীমাবদ্ধতা | কাৰণ | সুযোগ | কাৰ্য আঁচনি |
|---|---|---|---|
| সংগ্ৰহৰ পৰিমাণ কম | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় |
| হ্ৰস্বম্যাদী সংগ্ৰহ | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় |
| কম হাৰ | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় |
| অতিৰিক্ত মূল্য সংযোজন | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় |

## তালিকা- ১৫ বিশেষ দক্ষতা

তালিকা নং— ১৫ত হস্ততাঁতৰ বিশেষ দক্ষতাৰ বিৱৰণ

| সীমাবদ্ধতা | কাৰণ | সুযোগ | কাৰ্য আঁচনি |
|---|---|---|---|
| কেঁচা সামগ্ৰীৰ উপলব্ধতা | ◆ নিকটৱৰ্তী স্থানত কেঁচা সামগ্ৰীৰ অভাৱ।<br>◆ বজাৰৰ দূৰত্ব ২৫ কিঃমিঃ (সংগ্ৰহৰ অভাৱ)। | ◆ কেঁচা সামগ্ৰী মজুতকৰণৰ বাবে উমৈহতীয়া স্থানৰ আৱশ্যকতা। | ◆ কেঁচা সামগ্ৰীৰ বাবে মজুতকৰণ বেংক স্থাপন। |
| উৎপাদিত সামগ্ৰীৰ গুণমান | ◆ আধুনিক প্ৰযুক্তিগত যন্ত্ৰপাতিৰ ব্যৱহাৰৰ অভাৱ। | ◆ পৰম্পৰাগতভাৱে দক্ষ শিপিনীৰ বাবে নতুন প্ৰযুক্তিয়ে উৎপাদন আৰু আয় বৃদ্ধিৰ সুযোগ দিব। | ◆ আধুনিক যন্ত্ৰপাতিৰ ব্যৱহাৰৰ প্ৰশিক্ষণ।<br>◆ গাঁওবাসীক আধুনিক প্ৰযুক্তি প্ৰদান কৰা। |
| বেচা-কিনাৰ সম্ভাৱনীয়তা | ◆ নিৰ্ধাৰিত মানৰ বজাৰৰ অভাৱ<br>◆ মূল্য নিৰ্ধাৰণৰ নীতিৰ অভাৱ<br>◆ প্ৰতিষ্ঠানগত ক্ৰেতাৰ সৈতে যোগাযোগৰ অভাৱ<br>◆ নতুন সামগ্ৰীৰ বিকাশৰ অভাৱ | ◆ নতুন উৎপাদিত সামগ্ৰীৰ বাবে বজাৰ উদ্ভাৱন। | ◆ প্ৰতিষ্ঠানগত ক্ৰেতাৰ সৈতে অধিক পৰিমাণৰ উৎপাদিত সামগ্ৰী বিক্ৰীৰ ব্যৱস্থা কৰা। |
| ঋণৰ সুবিধা | ◆ আত্মসহায়ক গোটৰ দ্বাৰা ঋণৰ সুবিধাৰ অভাৱ।<br>◆ বেংক অথবা চৰকাৰী আঁচনি সন্দৰ্ভত জ্ঞানৰ অভাৱ। | ◆ চৰকাৰৰ দ্বাৰা বিত্তীয় সহযোগিতা।<br>◆ ঋণৰ বাবে সুবিধা প্ৰদান। | ◆ ক্ষুদ্ৰ বিনিয়োগ, সাময়িক ঋণ, কাৰ্য সম্পাদনৰ বাবে মূলধনৰ ব্যৱস্থা। |
| উৎপাদিত সামগ্ৰীৰ ভিন্ন ৰূপান্তৰণ | ◆ নতুন সামগ্ৰীৰ বিকাশ অথবা সামগ্ৰীৰ ভিন্ন ৰূপান্তৰণৰ অভাৱ।<br>◆ সামগ্ৰীৰ ভিন্ন ৰূপান্তৰণৰ বাবে ধাৰণাৰ অভাৱ। | ◆ চাহিদাৰ ওপৰত ভিত্তি কৰি সামগ্ৰীৰ বিকাশ তথা আধুনিক বজাৰৰ আৱশ্যকতাৰ ভিত্তিত সামগ্ৰীৰ বিকাশ। | ◆ দক্ষতা বিকাশ আৰু নতুন সামগ্ৰীৰ বিকাশৰ বাবে প্ৰশিক্ষণ। |

## তালিকা- ১৬ ঋণৰ সুবিধা

তালিকা নং— ১৬ত ঋণৰ সুবিধা

| সীমাবদ্ধতা | কাৰণ | সুযোগ |
|---|---|---|
| ঋণগ্ৰস্ততা | — | ◆ গাঁৱৰ সমীপৱৰ্তী এলেকাত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন। |
| সুদৰ হাৰ | ◆ ব্যক্তিগত ঋণদাতাৰ দ্বাৰা অধিক হাৰত সুদ গ্ৰহণ। | ◆ ৰাজসাহায্যযুক্ত ঋণ ব্যৱস্থাপনা |
| ঋণৰ উপলব্ধতা | ◆ ক্ষতি স্বীকাৰৰ আশংকা<br>◆ তথ্য-পাতি সংগ্ৰহৰ বাবে জ্ঞানৰ অভাৱ। | ◆ উদগনিমূলক প্ৰতিষ্ঠানৰ উদ্যোগ |
| বন্ধকীৰ অসুবিধা | ◆ বন্ধকীৰ বাবে সা-সম্পত্তিৰ উপযুক্ত কাগজ-পাতিৰ অভাৱ। | ◆ গাঁও এলেকাত প্ৰয়োজনীয় কাগজ-পাতিৰ বাবে পৰ্যাপ্ত সজাগতা সৃষ্টি। |



16/5/18
Divisional Forest Officer
Mangaldai Wildlife Divn.
Darrang